**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

———————————————

১। ভূমি ৰূপান্তৰ বিধি অধিক সৰল কৰি তোলাৰ উদ্দেশ্যে অসম ভূমি পুনৰ শ্ৰেণীভুক্তকৰণ তথা হস্তান্তৰ নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ ত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।

২। জাপানৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত দেশ-বিদেশৰ অগণন ভক্তৰ সমাগম।

৪। ৰাজ্যৰ বিশিষ্ট ভাস্কৰ্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ, সংগীত শিল্পী পখিলা লেক্‌থেপি আৰু যোগেশ দেউৰীক পদ্মশ্ৰী সন্মান প্ৰদান। *আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ এলৰ এখন খেলত কলম্বিয়া কংগোৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

ৰাজ্যিক মন্ত্ৰীসভাই ভূমি ৰূপান্তৰ বিধি অধিক সৰল কৰি তোলাৰ উদ্দেশ্যে অসম ভূমি পুনৰ শ্ৰেণীভুক্তকৰণ তথা হস্তান্তৰ নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত কয়, যে ৰাজ্যত উদ্যোগিক আৰু বাণিজ্যিক বিনিয়োগত উদগনি যোগোৱাৰ লক্ষ্যৰে প্ৰস্তুত কৰা এই বিধেয়কখন বিধানসভাৰ আসন্ন বাজেট অধিবেশনত উত্থাপন কৰা হব। ইয়াৰ অধীনত ক্ষুদ্ৰ, খাদী উদ্যোগ আৰু সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে স্বয়ংক্ৰিয়ভাৱে ভূমি ৰূপান্তৰৰ অনুমতি লাভ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে।

বাইট

ডঃ শৰ্মাই কয় যে সুলভ মূল্যৰ দোকানসমূহৰ কাম-কাজ নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত হিতাধিকাৰীসকলক সুকলমে খাদ্য বিতৰণৰ বাবে ৰাজ্যৰ সকলো সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰৰ বৈধ্যতাৰ সময়সীমা ৩০ জুনৰ পৰিৱৰ্তে ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে বৈঠকত অসম চাহ নিগম লিমিটেডক ৯ কোটি ৭৫ লাখ টকাৰ পুজি মুকলি কৰি দিয়াত অনুমোদন দিয়া হৈছে। এই পুঁজি অসম চাহ নিগম লিমিটেডে কাৰ্যবাহী বিষয়াসকলৰ স্বেচ্ছামূলক অৱসৰৰ বাবে ব্যৱহাৰ কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মন্ত্ৰীসভাই গ্ৰামাঞ্চলত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে ন্যূনতম ভূমিৰ প্ৰয়োজনীয়তা ৬০ বিঘাৰ পৰা ৩৫ বিঘালৈ আৰু চহৰাঞ্চলৰ ৩০ বিঘাৰ পৰা ২১ বিঘালৈ হ্ৰাস কৰাৰ ক্ষেত্ৰতো অনুমোদন দিছে। তেওঁ কয়, যে নিৰ্ধাৰিত শৈক্ষিক আৰু সুৰক্ষাৰ মান নিশ্চিত কৰাৰ লগতে বিদ্যালয় শিক্ষাখণ্ডত প্ৰস্তাৱৰ অধীনত চৰ অঞ্চলৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ পৰা মাধ্যমিক বিদ্যালয়ৰ প্ৰয়োজনীয় ন্যূনতম বিল্ট আপ এলেকা এক বিঘা আৰু গ্ৰামাঞ্চলৰ বাবে ৩ বিঘা কৰা হৈছে। এনে বিদ্যালয়ত অনাময় ব্যৱস্থা, খোৱাপানী, চাৰিসীমাৰ দেৱাল, দুৰ্যোগ প্ৰশমন তথা দিব্যাংগসকলৰ বাবে অনুকূল ব্যৱস্থা বাধ্যতামূলক হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৈঠকত ৰাজ্যৰ হোমষ্টে'সমূহৰ পঞ্জীয়ন সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত লোৱা হৈছে বুলি সদৰী কৰে। হোমষ্টে'সমূহে তিনি বছৰৰ মূৰে মূৰে পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব আৰু কোঠাৰ সংখ্যা ৬ৰ পৰা ৮লৈ বৃদ্ধি কৰিব পাৰিব বুলি বৈঠকত সিদ্ধান্ত লোৱা হয়। এটা প'ৰ্টেলত এই পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব। তেওঁ লগতে জাপানৰ

প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে বুলি প্ৰকাশ কৰে। ড° শৰ্মাই কয় যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সচিব বিক্ৰম মিশ্ৰীয়ে এই কথা ইতিমধ্যে স্পষ্ট কৰিছে।

ধৰ্মীয় অনুষ্ঠানৰ ওচৰৰ মাটি ক্ৰয় কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে আৰোপ কৰা নিষেধাজ্ঞা সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এইক্ষেত্ৰত কিছু সাল-সলনি কৰা হ'ব।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত শ্যামকানু মহন্তই দাখিল কৰা জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে অসম আৰক্ষী তথা ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। ন্যায়াধীশ পি ভি নাগৰত্ন আৰু ন্যায়াধীশ জয়মাল্য বাগ্চিৰ বিচাৰপীঠে ৰাজ্য চৰকাৰক জুলাই মাহৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। জামিন আবেদনৰ শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই ভিডিঅ' কনফাৰেঞ্চযোগে অংশ লয়। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ২৯ মে'ত মহন্তৰ জামিন আবেদন নাকচ কৰিছিল।

০০০০০০

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা ধামলৈ দেশ-বিদেশৰ অগণন ভক্তৰ সমাগম হৈছে। সোমবাৰৰ নিশা প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। এই দিনকেইটাত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। অম্বুবাচী সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা –

বাইট

অম্বুবাচী মহাযোগ সন্দৰ্ভত দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, ভক্তসকলৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ পৰ্যটন বিভাগ, জিলা প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। একাংশ দল-সংগঠনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰয়াস কৰিছে। অম্বুবাচীলৈ অহা ভক্তসকলৰ বাবে ভূতনাথ শ্মশান প্ৰাঙ্গনত বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত খাদ্যৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০০

ৰাজ্যৰ বিশিষ্ট ভাস্কৰ্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ, সংগীত শিল্পী পখিলা লেক্থেপি আৰু যোগেশ দেউৰীক কালি পদ্মশ্ৰীৰে সন্মানিত কৰা হয়। কবিন্দ্ৰ পুৰকায়স্থক মৰণোত্তৰভাৱে পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হয়।

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত কালি চলিত বৰ্ষৰ পদ্ম সন্মান প্ৰদান কাৰ্যসূচীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁলোকক পদ্মশ্ৰী সন্মান প্ৰদান কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, গৃহ মন্ত্ৰী অমিত শ্বাহ, বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

গুৱাহাটীৰ কৰ ভৱনত কালি পি আই বি গুৱাহাটী আৰু এছ বি আইৰ উদ্যোগত বাৰ্তালাপ শীৰ্ষক সংবাদ মাধ্যমৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত বিত্তীয় অন্তৰ্ভুক্তিৰ জৰিয়তে সৰলীকৰণ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। বিগত ১২ বছৰৰ বিশ্বাস, বিকাশ আৰু জন-কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভতো কৰ্মশালাত আলোচনা কৰা হয়। পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান কৃপাশংকৰ

যাদৱে উদ্বোধন কৰা এই কৰ্মশালাত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন, নাবাৰ্ডৰ মুখ্য মহা-প্ৰবন্ধক লোকেন দাস, আই আই বি এমৰ অধ্যাপক ড০ অভিজিত শৰ্মা আৰু এছ বি আইৰ মুখ্য মহা-প্ৰবন্ধক অতুল ৰাথিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ সঞ্চালনা কৰে পি টি আই গুৱাহাটীৰ মুখ্য সংবাদদাতা ত্ৰিদিপ লহকৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এইমছ গুৱাহাটীৰ উদ্যোগত সংবাদ কৰ্মীসকলৰ বাবে স্বাস্থ্য শিৰিৰো মুকলি কৰা হয়।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰাজ্যখনত সফলভাৱে ৰূপায়ণ কৰাটো নিশ্চিত কৰাৰ বাবে মহাবিদ্যালয়সমূহত প্ৰয়োজনীয় শৈক্ষিক আন্তঃগাঁথনি গঢ়ি তুলিবলৈ নিৰন্তৰ কাম কৰি আছে। শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে কালি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গৰ সৈতে হোৱা সাক্ষাতৰ পাছত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে শিক্ষাৰ গুণগত মান উন্নয়ন আৰু শিক্ষাৰ্থীসকলৰ বাবে অনুকূল পৰিৱেশ সৃষ্টিৰ ওপৰত চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে। ছাত্ৰ সংগঠনটোৰ প্ৰতিনিধিৰ সৈতে হোৱা বৈঠকত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ৰূপায়ণ তথা শিক্ষাৰ্থীসকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে উপায় উদ্ভাৱন সন্দৰ্ভত আলোচনা কৰা হয়। এই বিষয়সমূহ নিষ্পত্তিৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ জৰিয়তে পৰ্য্যালোচনা কৰা হ'ব বুলি মন্ত্ৰী ডা০ পেগুৱে প্ৰকাশ কৰে।

বৈঠক সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই কয়, যে এই বৈঠকত ৰাজ্য চৰকাৰে অহা শিক্ষা বৰ্ষৰ পূৰ্বে মহাবিদ্যালয়সমূহৰ প্ৰয়োজন অনুসৰি স্থায়ী শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

শিক্ষামন্ত্ৰীগৰাকীয়ে কালি কুমাৰ ভাস্কৰ বাৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য প্ৰহ্লাদ আৰ যোশীৰ নেতৃত্বত অহা এটা দলৰ সৈতেও মত বিনিময় কৰে। ডা০ পেগুৱে লগতে অসম হাইস্কুল শিক্ষক সন্থাৰ প্ৰতিনিধি দলৰ সৈতে জনতা ভৱনত মত বিনিময় কৰে। সাক্ষাৎকালত দলটোৱে প্ৰধান শিক্ষক নিযুক্তি, শিক্ষাসেতু এপ উন্নীতকৰণ, বৃত্তিমুখী শিক্ষক নিযুক্তিকে ধৰি বিভিন্ন প্ৰয়োজনীয়তা সম্পৰ্কে শিক্ষামন্ত্ৰীক অৱগত কৰে।

০০০০০০

বৰপেটা ৰোডত যোৱানিশা উজনিমুৱা এখন মালবাহী ৰে'লৰ খুন্দাত দুজন কিশোৰ নিহত হয়। নিহত কিশোৰ দুজন বৰপেটা ৰোডৰ আজাদ নগৰৰ বাসিন্দা ১৬ বছৰীয়া জাহাংগীৰ আলম আৰু ১৭ বছৰীয়া মুস্তাফা খান বুলি চিনাক্ত কৰা হৈছে। মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা কিশোৰ দুজনৰ ৰে'ল দুৰ্ঘটনাত মৃত্যুক কেন্দ্ৰ কৰি বৰপেটা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে

০০০০০০

জাপানৰ প্ৰধানমন্ত্ৰীৰ গুৱাহাটী ভ্ৰমণ বাতিল, পেনাল্টিত ব্যৰ্থ হৈও মেচিৰ যাদু, নকআউটত আৰ্জেণ্টিনা, ৰাজ্যৰ উদ্যোগ প্ৰতিষ্ঠানত কৰ্মৰত ৬০ শতাংশ বিষয়া-কৰ্মচাৰীয়ে বহিৰাগত আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে।

চৰকাৰৰ পৰা বুজন পৰিমাণৰ ৰাজ সাহায্য লাভ কৰিও থলুৱাক নিযুক্তি নিদিয়াৰ এটা বাতৰি ৰাজ্যৰ উদ্যোগ প্ৰতিষ্ঠানত কৰ্মৰত ৬০ শতাংশ বিষয়া-কৰ্মচাৰীয়ে বহিৰাগত শিৰোনামৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আনুষ্ঠানিক ঘোষণা মুখ্যমন্ত্ৰীৰ - গুৱাহাটীলৈ নাহে জাপানৰ প্ৰধানমন্ত্ৰী শীৰ্ষক এটাণ বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **নিয়মীয়া বাৰ্তা** ব্যাপক উছাহ প্ৰস্তুতিৰ মাজতে দিল্লীৰ পৰা আহিল দুঃসংবাদ, জাপানৰ প্ৰধানমন্ত্ৰী টাকাইচিৰ অসম ভ্ৰমণ বাতিল শিৰোনামেৰে প্ৰকাশ কৰিছে। নিজৰ কৃষি ভূমিত ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিবলৈ নালাগিব। জিলা আয়ুক্তৰ অনুমতিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত ৰাজ্যিক কেবিনেটত গ্ৰহণ কৰা বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিশ্বকাপত সৰ্বাধিক গ'লৰ অভিলেখ ৩৯ বছৰীয়া মেছিৰ – পেনাল্টিটত ব্যৰ্থ হৈও মেছিৰ যাদু, নক আউটত আৰ্জেণ্টিনা শীৰ্ষক এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অগ্ৰদূত** কাকতে বিশ্বকাপত গ'লৰ শিখৰত মেছি, পেনাল্টিট নষ্ট কৰিও হ'ল সৰ্বোচ্চ গ'লদাতা শিৰোনামেৰে প্ৰকাশ কৰিছে। চহৰ-নগৰত প্ৰাইভেট স্কুল -ইউনিভাৰ্ছিটী স্থাপনৰ বাবে বিশেষ সকাহ ৰাজ্য চৰকাৰৰ শীৰ্ষক এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে 'Japanese Encephalitis death toll in State rises to 10' শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতৰ শিৰোনাম Five from Assam conferred with Padmashri Awardm, 65 in India.

এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ফিফা বিশ্বকাপ ফুটবলত আজি পুৱা কলম্বিয়া আৰু কংগোৰ মাজৰ গ্ৰুপ-কেৰ এখন খেল বাতৰি যুগুতোৱাৰ পৰলৈ কলম্বিয়া এটা গ'ল কৰি আগবাঢ়ি আছে। গুৱাডালাজাৰা ষ্টেডিয়ামত অনুষ্ঠিত খেলখন ভাৰতীয় সময় অনুসৰি আজি পুৱা চাৰে ৭ বজাত আৰম্ভ হৈছে।

কানাডাৰ টৰণ্টো ষ্টেডিয়ামত আজি পুৱা অনুষ্ঠিত গ্ৰুপ-এলৰ এখন খেলত ক্ৰৱেছিয়াই পানামাক ১-০ গ'লত পৰাস্ত কৰে। পানামাৰ খেলুৱৈসকলে খেলখনৰ শেষভাগত প্ৰতিদ্বন্দ্বী দলটোৰ বিৰুদ্ধে তীব্ৰ হেঁচা প্ৰয়োগ কৰিছিল যদিও ক্ৰৱেছিয়াৰ গ'লকিপাৰ ডমিনিক লিৱাকোভিচে কেইবাটাও গ'ল ৰক্ষা কৰি ক্ৰৱেছিয়াক বিজয়ৰ সোৱাদ দিয়ে।

আনহাতে আমেৰিকাৰ হিউষ্টনত অনুষ্ঠিত গ্ৰুপ-কেৰ এখন খেলত কালি পৰ্টুগালে উজবেকিস্তানক ৫-০ গ'লত পৰাস্ত কৰে। ৪১ বছৰীয়া তাৰকা খেলুৱৈ ক্ৰিষ্টিয়ানো ৰোনাল্ডোৱে দুটা গ'ল দি দলৰ জয়ত মুখ্য ভূমিকা পালন কৰে। এই গ'ল দুটাৰ জৰিয়তে ৰোনাল্ডোৱে ছখন ভিন ভিন বিশ্বকাপ ফুটবলত গ'ল দিয়া প্ৰথমজন খেলুৱৈ হিচাপে নতুন ইতিহাস গঢ়াৰ লগতে খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মানো লাভ কৰে।

ইংলেণ্ড আৰু ঘানাৰ মাজত ফক্সবৰ'ৰ বষ্টন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-এলৰ আন এখন খেল গ'লশূন্যভাৱে সমাপ্ত হয়। এই অমীমাংসিত খেলখনৰ পাছত দল দুটাই দুখনকৈ খেলত মুঠ ৪ পইণ্টকৈ অৰ্জন কৰাৰ ফলত দুয়োটা দলেই যুটীয়াভাৱে গ্ৰুপৰ শীৰ্ষস্থান লাভ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ আৰু বিজুলী-ঢেৰেকনি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ প্ৰায়বোৰ ঠাইতে মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে। আনহাতে, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কোনো কোনো অংশত মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**